**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা তেওঁৰ চাৰি দিনীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া ভ্ৰমণৰ অন্তিম দিনটোত আজি মন্ত্ৰী আৰু বিধায়কসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ড০ শৰ্মাই জিলাসমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু জনকল্যাণমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ বাবে মন্ত্ৰী-বিধায়কসকলক জনসাধাৰণৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে ৬৫ কোটি টকা ব্যয় সাপেক্ষে ডিব্ৰুগড়ত মন্ত্ৰীসকলৰ কাৰ্যালয়, মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়কে ধৰি সচিবালয় চৌহদ আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

০০০০০০০

গোৱালপাৰা জিলাত চলা উচ্ছেদ অভিযানৰ সময়ত নীতি-নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগত ৰাজ্য চৰকাৰৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰৰ শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয় সন্মত হৈছে। মুখ্য ন্যায়াধীশ বি আৰ গাৱাই আৰু ন্যায়াধীশ কে বিনোদ চন্দ্ৰনৰ দ্বাৰা গঠিত বিচাৰপীঠে কালি অসমৰ মুখ্য সচিব আৰু ইয়াৰ সৈতে জড়িত অন্যান্যসকললৈ দুসপ্তাহৰ ভিতৰত উত্তৰ দিবলৈ জাননী জাৰি কৰিছে। ব্যক্তিগত শুনানি আৰু আবেদন অথবা ন্যায়িক পৰ্যালোচনাৰ বাবে পৰ্যাপ্ত সময় নিদিয়াকৈ জিলাখনত উচ্ছেদ, কৰা হৈছে বুলি গোৱালপাৰাৰ ৮ জন আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়ত অভিযোগ দাখিল কৰিছিল।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে বন বিভাগে কালি গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল গাঁৱত বাস কৰা দখলকাৰীসকলক সাত দিনৰ ভিতৰত গাঁও এৰিবলৈ জাননী জাৰি কৰে।

উৰিয়ামঘাট অঞ্চলত বাস কৰা সন্দেহযুক্ত নাগৰিকক উচ্ছেদৰ বাবেও বনবিভাগে ইতিমধ্যে জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়ামঘাটত পৰিস্থিতিৰ বুজ ল'ব।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত কালি স্বাক্ষৰিত মুক্ত বাণিজ্য চুক্তিয়ে চাহ ৰপ্তানি খণ্ডৰ আমূল পৰিৱৰ্তন সাধন কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। চুক্তিখনৰ অধীনত ভাৰতীয় চাহ ব্ৰিটেইনলৈ শুল্কবিহীনভাৱে ৰপ্তানি কৰাৰ সুবিধা লাভ কৰিব। ইয়াৰ পূৰ্বে এই সুবিধা ইনষ্টেণ্ট কফি, মচলা আৰু অন্যান্য কেতবোৰ কৃষিজাত সামগ্ৰীৰ কাৰণেহে নিৰ্ধাৰিত আছিল। শুল্কবিহীন ৰপ্তানি ব্যৱস্থাই ভাৰতীয় চাহৰ বজাৰ প্ৰসাৰিত কৰিব বুলি ড° শৰ্মাই আশা প্ৰকাশ কৰিছে। বৰ্তমান দেশৰ চাহ ৰপ্তানিৰ ৫ দশমিক ৬ শতাংশ ইংলেণ্ডলৈ হোৱাৰ বিপৰীতে এই চুক্তিয়ে ৰপ্তানিৰ হাৰ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত চাহৰ লগতে দেশৰ সামগ্ৰিক কৃষি ৰপ্তানিৰ ক্ষেত্ৰতে তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন সাধন হৈ ২০৩০ চনৰ ভিতৰত কৃষিজাত ৰপ্তানিৰ পৰিমাণ ১০ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য পূৰ্ণ হোৱাত সহায় হ'ব।

০০০০০০০

ৰাজ্যিক বিজেপিৰ কেইবাখনো মৰ্চাৰ নতুন সভাপতি নিযুক্তি দিয়া হৈছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি নীলিমা দেৱীক মহিলা মৰ্চা, ৰাকেশ দাসক যুৱ মৰ্চা, সুভাষ দত্তক অ' বি চি মৰ্চা, নৰাৰুণ মেধিক অনুসূচীত জাতি মৰ্চা, হৰেন সিং বে'ক অনুসূচীত জনজাতি মৰ্চা, পংকজ বৰবৰাক কিষাণ মৰ্চা, শান্তিউছ কুজুৰক সংখ্যালঘু মৰ্চা আৰু দুলেন নায়কক দলৰ চাহ সম্প্ৰদায় মৰ্চাৰ ৰাজ্যিক সভাপতি হিচাপে নিযুক্তি দিয়া বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

অসম ফেকাল্টি অব ফাইন আৰ্টছ্ এণ্ড ক্ৰাফটৰ উদ্যোগত আৰু জনকল্যাণ ছ'চাইটি সংস্কৃতিক বিদ্যালয়ৰ সহযোগত উত্তৰ গুৱাহাটীত কালিৰে পৰা গ্ৰীষ্মকালীন হস্তশিল্প আৰু পোৰামাটি শিল্পৰ কৰ্মশালা অনুষ্ঠিত হৈছে। উত্তৰ গুৱাহাটীৰ মধ্যম খণ্ডৰ চন্দ্ৰকুমাৰ বৰদলৈ জাতীয় বিদ্যালয় প্ৰাংগনত চাৰি দিনীয়াকৈ আয়োজন কৰা এই কৰ্মশালাত ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ভাস্কৰ তথা চিত্ৰশিল্পী হৰেকৃষ্ণ তালুকদাৰ আৰু তেওঁৰ সহযোগীসকলে প্ৰশিক্ষণ প্ৰদান কৰিছে। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত ভগৱানৰ মূৰ্তিৰ পৰা আৰম্ভ কৰি মাছ, কাছকে ধৰি বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি নিৰ্মাণ কৰিবলৈ শিকোৱাৰ ব্যৱস্থা কৰা হৈছে। উদ্যোক্তাসকলৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে কৰ্মশালাৰ সামৰণিৰ দিনটোত প্ৰশিক্ষাৰ্থীসকলে নিৰ্মাণ কৰা পোৰা মাটিৰ সামগ্ৰীৰ এখন প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ লগতে অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলক উপহাৰ আৰু মানপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত 'গ্ৰীষ্মকালীন শিবিৰ' সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

০০০০০০০

**সমাপ্ত**